Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

**RAJIV BHAWAN**

**INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005**

০১-০৪-২০১৭

## প্ৰেছ বিবৃতি

### বেংকত ধন জমা ৰখাৰ সন্দৰ্ভত

### মোডী চৰকাৰৰ জনবিৰোধী নীতিৰ প্ৰতিবাদ গঢ়ি তোলাৰ আহ্বানঃ প্ৰদেশ কংগ্ৰেছ

**গুৱাহাটী ১ এপ্ৰিলঃ** আজিৰ পৰা বলবৎ হোৱাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী চৰকাৰে ষ্টেট বেংক অব্ ইণ্ডিয়াৰ গ্ৰাহকৰ ওপৰত নূন্যতম ধন জমা ৰখা সম্পৰ্কীয় নিৰ্দেশনা খাটিখোৱা মানুহৰ লগতে শ্ৰমিক, কৃষক আৰু ক্ষুদ্ৰ ব্যৱসায়ীৰ স্বাৰ্থ বিৰোধী বুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ হৈ জ্যেষ্ঠ মুখপাত্ৰ অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই সংবাদ মেল যোগে অভিযোগ উত্থাপন কৰিছে। দেশৰ জনসাধাৰণক ধন-জন যোজনাৰ অধীনত শূণ্য জমাৰে একাউণ্ট খোলোৱা বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া বিত্তীয় নিয়মৰ জৰিয়তে স্বাধীন দেশৰ নাগৰিকৰ ওপৰত আজিৰে পৰা জাপি দিয়া সিদ্ধান্তমতে ষ্টেট বেংকৰ মহানগৰীৰ গ্ৰাহকৰ একাউণ্টত নূন্যতম ৫ হাজাৰ, নগৰীয়া অঞ্চলত ৩ হাজাৰ, চহৰৰ গ্ৰাহকৰ একাউণ্টত ২ হাজাৰ আৰু গ্ৰাম্যাঞ্চলৰ গ্ৰাহকৰ একাউণ্টতো নূন্যতম ১ হাজাৰ টকা জমা ৰাখিব লাগিব, অন্যথা জৰিমনা ভৰিব লাগিব। আমাৰ প্ৰশ্ন - প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ চৰকাৰে উল্লেখিত গ্ৰাহকসকলক এনে দৰে ধন জমা ৰাখিব পৰাৰ কোনো ব্যৱস্থা প্ৰদান কৰিছে নেকি? বেংকৰ একাউণ্ট খুলিবলৈ আগ্ৰহী নোহোৱা গ্ৰাহকক একাউণ্ট খোলাই এতিয়া নূন্যতম জমা ৰাখিবলৈ বাধ্য কৰোৱাৰ সিদ্ধান্ত কাৰ স্বাৰ্থত? আম্বানী, আদানীহঁতৰ স্বাৰ্থত দেশৰ মধ্যবিত্তকে ধৰি খাটি খোৱা মানুহৰ ওপৰত এনে নিৰ্যাতন চলোৱা কাৰ্যই পুণৰবাৰ প্ৰমাণ কৰিলে বিজেপি চৰকাৰ কেৱল কৰ্প'ৰেট গোষ্ঠীৰ স্বাৰ্থ পূৰণৰ বাবেহে দায়বদ্ধ। খাটিখোৱা শ্ৰমিক-কৃষক, ক্ষুদ্ৰ ব্যৱসায়ী তথা কৰ্মচাৰীৰ অধিকাৰ কাঢ়ি নিয়া চৰকাৰে নাজানে যে মহানগৰীত বসবাস কৰা মানুহৰ ভিতৰত দৈনিক শ্ৰমিক, ৰিক্সা-ঠেলাৱালা, গৃহ লগুৱা আদিও বাস কৰে, যিসকলে কেৱল চৰকাৰৰ হেঁচাত পৰিহে বেংকত একাউণ্ট খুলিছে। কিন্তু নূন্যতম ৫ হাজাৰ টকা জমা ৰখাৰ সামৰ্থ তেওঁলোকৰ নাই। এনেদৰে নোহোৱা নোপোজা ঘটনা পূৰ্বতে সংঘটিত হোৱা নাছিল। বৃহৎ পুঁজিপতিক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈকে মোডী চৰকাৰৰ দৰিদ্ৰ বিৰোধী এই সিদ্ধান্ত। আমি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে মোডী চৰকাৰৰ এই গণবিৰোধী সিদ্ধান্ত বাতিলৰ দাবীত প্ৰৱল প্ৰতিবাদ গঢ়ি তুলিবলৈ সমূহ ৰাইজক বিনম্ৰ গোহাৰি জনালো। বিমুদ্ৰাকৰণে সৃষ্টি কৰা দেশৰ অৰ্থনৈতিক অৱস্থাৰ জোৰা মাৰিবলৈকৈ এনেধৰণৰ সিদ্ধান্ত নেকি? শূণ্য জমাৰে একাউণ্ট খোলাই এতিয়া এনে স্ব-বিৰোধী সিদ্ধান্ত কিয়? চৰকাৰে তৎকালেই কৰৰ বোজাৰে জনসাধাৰণৰ অধিকাৰ কাঢ়ি নিয়া হঠকাৰী সিদ্ধান্ত বাতিল নকৰিলে জনগণৰ স্বাৰ্থত আমি ৰাজপথত ওলাই আহিবলৈ বাধ্য হ'ম।

*ক্ৰমশ......*

Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

**RAJIV BHAWAN**
**INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005**

## নমামী ব্ৰহ্মপুত্ৰই আমাৰ স্বাভিমানক আঘাট হানিলে

যোৱাকালিৰ পৰা জাতি-মাটি-ভেটি ৰক্ষাৰ পণ লোৱা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ উদ্যোগত আৰম্ভ হোৱা "নমামি ব্ৰহ্মপুত্ৰ" উৎসৱে আমাৰ স্বাভিমান, ঐতিহ্য আৰু চানেকিৰ প্ৰতি প্ৰকাৰান্তৰে এক প্ৰত্যাহ্বানহে সূচনা কৰিলে বুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ হৈ জ্যেষ্ঠ মুখপাত্ৰ অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই সংবাদ মেল যোগে অভিযোগ উত্থাপন কৰিছে। কেইবা কোটি টকীয়া এই উৎসৱৰ পৰা আমাৰ অৰ্থনৈতিক লাভালাভ কি হ'ব? বান গৰা-খহনীয়া প্ৰতিৰোধৰ লগতে আমাৰ নৈ-পৰীয়া সংস্কৃতি ৰক্ষা হ'বতো? লৌহিত্য, লাওটি, টিলাও, ভুল্লুং বুথুৰ আৰু মহাবাহু ব্ৰহ্মপুত্ৰ নামেৰে পৰিচিত আমাৰ জনজীৱনৰ আয়ুসৰেখা সদৃশ লুইতক গীতেৰে-মাতেৰে আৰু "লোহিত কী কীনাৰে" নামৰ ধাৰাবাহিক খনেৰে বিশ্ববাসীৰ আগত পৰিচয় দাঙি ধৰা ড° ভূপেন হাজৰিকাৰ অৱদান আজি এইখন চৰকাৰৰ দৃষ্টিত উপেক্ষিত। ৰাজ্যৰ বাহিৰৰ উত্তৰ ভাৰতীয় পুৰোহিত আমদানি কৰি আমাৰ কামাখ্য মন্দিৰকে ধৰি ঐতিহাসিক শিৱদৌল সমূহত পূজা-সেৱা কৰি থকা আমাৰ ৰাজ্যৰ পুৰোহিতসকলক বঞ্চিত কৰা হ'ল কিয়? তেওঁলোক অদক্ষ নেকি? এইয়া থলুৱা বিৰোধী নহ'লনে? ৰাজ্যৰ এচাম থলুৱা মানুহৰ আৱেগ, অনুভূতিক বুজি নোপোৱা এমুঠিমান আমোলা বিষয়াই নিৰ্দিষ্ট ঠিকাদাৰক লগত লৈ পতা এই সাংস্কৃতিক তথা পূজা পাৰ্বনে আমাৰ পুঁজিৰ বহিৰাগমনহে কৰিলে। চিৰ প্ৰৱাহমান লুইতৰ তাণ্ডৱ ৰূপৰ অভিজ্ঞতা নথকা সকলে কেনেকৈ বুজিব নৈ-পৰীয়া খিলঞ্জীয়াৰ জীৱন প্ৰণালীৰ সৈতে লুইতৰ সম্পৰ্ক কিমান? 'নমামি' নামেৰে আমাৰ পৰম্পৰাগত আৱেগক নিঃশ্চিহ্ন কৰি, উত্তৰ ভাৰতীয় ধৰ্মীয় সংস্কৃতি জাপি দিয়াৰ ষড়যন্ত্ৰ নে - বিজেপিৰ বহুদিনীয়া নদী সংযোগীকৰণ আঁচনি ৰূপায়ণৰ প্ৰথম পদক্ষেপ। এনে ধৰণৰ পূজা পাতলৰ উৎসৱ আয়োজনৰ বাবেই খোদ জনতা ভৱনতে ঘোচ খাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে নেকি? জিলাই জিলাই ধন সংগ্ৰহ কৰিবলৈ বাধ্য কৰোৱা জিলা প্ৰশাসনে ভৱিষ্যতে স্বচ্ছ প্ৰশাসন, দুৰ্নীতিমুক্ত প্ৰশাসন কেনেকৈ গঢ়িব ? "জনতা ভৱন"ত চলা কমিছন ৰাজৰ সন্দৰ্ভত দুৰ্নীতিৰ ক্ষেত্ৰত 'শূণ্য সহনশীল' নীতিৰ হোতা মুখ্যমন্ত্ৰীয়ে মুখ খুলিবনে?

অপূৰ্ব কুমাৰ ভট্টাচাৰ্য
(অপূৰ্ব কুমাৰ ভট্টাচাৰ্য)
জ্যেষ্ঠ মুখপাত্ৰ
১/২/১৭